জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৮৮/২০২৩

# নাজিৰাটিং তামুলী পৰ্যটন মহোৎসৱত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**নাজিৰাটিং তামুলী পৰ্যটন আৱৰ্তৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৩ কোটি টকাৰ ঘোষণা**

ৰাজ্য চৰকাৰে এই মহোৎসৱক অসমৰ অন্যতম শ্ৰেষ্ঠ পৰ্যটন অনুষ্ঠানলৈ ৰূপান্তৰ কৰিব ঃ মুখ্যমন্ত্ৰী

**ডিব্ৰু নদীয়ে সৃষ্টি কৰা খহনীয়া সমস্যা সমাধানৰ বাবে চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী**

ডিগবৈত প্ৰধানমন্ত্ৰীৰ খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ অধীনত নিৰ্মিত অতিথিশালা পৰ্যটকৰ বাবে উৎসৰ্গা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিগবৈত অনুষ্ঠিত হোৱা নাজিৰাটিং তামুলী পৰ্যটন মহোৎসৱত অংশগ্ৰহণ কৰি কয় যে ৰাজ্য চৰকাৰে এই মহোৎসৱক অসমৰ অন্যতম শ্ৰেষ্ঠ পৰ্যটন অনুষ্ঠানলৈ ৰূপান্তৰ কৰিব।

তিনিচুকীয়া জিলাৰ ডিগবৈত অনুষ্ঠিত এই তিনি দিনীয়া মহোৎসৱৰ আজি অন্তিমটো দিনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মহোৎসৱৰ আয়োজকসকলক প্ৰশংসা কৰি কয় যে অৰুণাচল প্ৰদেশৰ টাৱাং উৎসৱ আৰু মেঘালয়ৰ চেৰী ব্লছম মহোৎসৱৰ লগত সংগতি ৰাখি অসম চৰকাৰে নাজিৰাটিং তামুলী পৰ্যটন মহোৎসৱক ৰাজ্যখনৰ অন্যতম আকৰ্ষণীয় পৰ্যটন অনুষ্ঠানলৈ ৰূপান্তৰ কৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। এই উপলক্ষে পৰ্যটকৰ বাবে অধিক সা-সুবিধা সৃষ্টিৰ লক্ষ্যৰে নাজিৰাটিং তামুলী পৰ্যটন আৱৰ্তৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৩ কোটি টকাৰ কথাও তেওঁ ঘোষণা কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আকৰ্ষণীয় পৰ্যটনস্থলীৰ সৈতে অসম সদায়েই প্ৰকৃতিৰ আশীষ ধন্য হৈ আছে। এই ক্ষেত্ৰত নাজিৰাটিং তামুলী পৰ্যটন আৱৰ্ত ৰাজ্যখনৰ পৰ্যটন মানচিত্ৰত এক নতুন সংযোজন। তেওঁ কয় যে ডিগবৈত অনুষ্ঠিত হোৱা নাজিৰাটিং তামুলী মহোৎসৱত অংশগ্ৰহণ কৰি তেওঁ সঁচাকৈয়ে আনন্দিত অনুভৱ কৰিছে। ড° শৰ্মাই লগতে কয় যে ডিব্ৰু নদী তথা উদ্ভিদ আৰু প্ৰাণী জগতৰ দ্বাৰা সমৃদ্ধ নান্দনিক দৃশ্যপটত অনুষ্ঠিত হোৱা এই মহোৎসৱে প্ৰকৃতিপ্ৰেমীসকলৰ বাবে এক অনাবিল অভিজ্ঞতা প্ৰদান কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে এই অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু বিভিন্ন প্ৰজাতিৰ পক্ষীৰ উপস্থিতিয়ে নাজিৰাটিং তামুলীক এক আকৰ্ষণীয় পৰ্যটন স্থলীলৈ ৰূপান্তৰিত কৰি তুলিছে। তদুপৰি অতিথিশালা, পথ আদি নিৰ্মাণেৰে পৰ্যটকৰ বাবে ইয়াত নতুন সুবিধা সংযোজিত হৈছে। এই মহোৎসৱৰ আন এক

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আকৰ্ষণ হৈছে এই পৰ্যটনস্থলী বিভিন্ন জাতি-জনগোষ্ঠীৰ বাবে এক মিলনভূমিলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনীয়তা আছে। তেওঁ আয়োজকসকলক এই মহোৎসৱ আয়োজন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে ইয়ে নিয়োগৰ নতুন সুবিধা সৃষ্টি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী তথা প্ৰকৃতিপ্ৰেমী সকলক আকৰ্ষিত কৰাত সহায় কৰিব।

তেওঁ কয় যে বিশেষকৈ ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ বাবে বিগত কেইবছৰ মানৰ পৰা অসমত উন্নয়নৰ এক অভূতপূৰ্ব জোৱাৰ দেখা গৈছে। তেওঁ কয় যে এসময়ত কাম কাজ বন্ধৰ উপক্ৰম হোৱা ডিগবৈ শোধনাগাৰটোৱে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত সক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত এক নতুন ৰূপ পাবলৈ সক্ষম হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক বিকাশ ক্ষিপ্ৰতাৰে গঢ়ি তোলাৰ এক সামগ্ৰিক পৰিকল্পনা আছে।

ডিব্ৰু নদীয়ে সৃষ্টি কৰা খহনীয়াৰ পৰিপ্ৰেক্ষিতত জলসম্পদ বিভাগে এই সমস্যা সমাধানৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ৰাজ্য চৰকাৰে ডিগবৈত বৰ্তমানৰ অৰুণোদয় হিতাধিকাৰীৰ তালিকাত আৰু ৬ হাজাৰ হিতাধিকাৰী সংযোজন কৰিব।

পাছত মুখ্যমন্ত্ৰীয়ে ডিব্ৰু ভৱন অতিথিশালাটো পৰ্যটকৰ বাবে উৎসৰ্গা কৰে। প্ৰায় ৫৭ লাখ টকা ব্যয় সাপেক্ষে প্ৰধানমন্ত্ৰীৰ খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ অধীনত লোক নিৰ্মাণ (গৃহ) বিভাগৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে এই অতিথিশালাটো।

ডিগবৈৰ বিধায়ক সুৰেন ফুকনে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই কাৰ্যসূচীত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক তৰংগ গগৈ, ৰূপজ্যোতি কুৰ্মী, বলিন চেতিয়া, ৰূপেশ গোৱালা, অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ অধ্যক্ষ পুলক গোহাঁই প্ৰমুখ্যে গণ্য-মান্য লোকসকল উপস্থিত থাকে।

**সুঃদঃ / হেঃশঃ**
**৩/১/২০২৩**